
# দণ্ডিনাথ কলিতা



## মাধুৰী কলিতা চৌধুৰী

**“শোণিত সুবাস”** ঃ তেজপুৰ তথা শোণিতপুৰৰ বিশিষ্ট বৰেণ্য ব্যক্তিৰ গ্ৰন্থমালা। প্ৰকাশক অসমীয়া ক্লাব, তেজপুৰ, ৱাৰ্ড নং - ৫, পিন - ৭৮৪০০১

প্ৰকাশক ঃ সম্পাদক, অসমীয়া ক্লাব, তেজপুৰ
ৱাৰ্ড নং - ৫, পিন ঃ ৭৯৪০০১,

ঃ **দণ্ডিনাথ কলিতা**
লিখক ঃ মাধুৰী কলিতা চৌধুৰী

প্ৰচ্ছদ ঃ কুমুদ বৰুৱা, তেজপুৰ
সম্পাদক ঃ ৰুবুল শৰ্ম্মা
সম্পাদনা সহযোগী ঃ হেমন্ত কুমাৰ লহকৰ

© ঃ অসমীয়া ক্লাব, তেজপুৰ

প্ৰথম প্ৰকাশ ঃ এপ্ৰিল, ২০১৫

বৰঙণি ঃ ২০.০০ টকা

ছপা ঃ টাইকল ষ্টাইল ট্ৰেক, কুমাৰ গাঁও, তেজপুৰ

**Sonit Subash :** A Series of Books on the legendary persons of Tezpur, Sonitpur. Published by Asomiya Club, Tezpur, ward No - 5, PIN - 784001

# প্ৰকাশকৰ একাষাৰ

ইতিহাসক প্ৰগতিৰ দিশলৈ আগুৱাই নিয়াৰ ক্ষেত্ৰত কিছু বিশিষ্ট ব্যক্তিৰ বৰঙণি সদায়েই গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈ আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে উঠি অহা ন-প্ৰজন্ম আমাৰ বুৰঞ্জীৰ শিপাৰ পৰা বিচ্ছিন্ন হোৱাৰ সংশয়ে দেখা দিছে। আনহাতে স্বনামধন্য, বৰেণ্য ব্যক্তিৰ ঐতিহাসিক সামাজিক ভূমিকা সম্পৰ্কে ন-প্ৰজন্মক অৱগত কৰোৱাৰ বিশেষ উদ্যোগ দেখা পোৱা নাযায়। এই ক্ষেত্ৰত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠানসমূহৰ ভূমিকাও আশাব্যঞ্জক নহয় আৰু পঢ়াশালিৰ পাঠ্যপুথিতো বিশেষ গুৰুত্ব দিয়া নহয়।

শোণিতপুৰ বা তেজপুৰত এনে বহু ব্যক্তি আছে যি একোটা যুগত দেশ, জাতি, সমাজ-সংস্কৃতি তথা সাহিত্যৰ ক্ষেত্ৰত আপুৰুগীয়া অৱদান ৰাখি গৈছে আৰু আজিও চৰ্চিত হৈ আছে। কিছু ব্যক্তিয়ে জীৱনৰ অধিক সময়েই সমাজৰ হিতৰ বাবে অক্লান্ত পৰিশ্ৰম কৰি গ'ল; অথচ তেওঁলোকৰ অৱদান বালিৰ তলৰ মুকুতা হৈ পৰি আছে। এনে সকলো ব্যক্তিৰ উজ্বল দিশসমূহৰ এক সম্যক পৰিচয় জনমানসৰ ওচৰত তুলি ধৰাৰ পুনৰ প্ৰয়োজন হৈছে। এই লক্ষ্যত ''অসমীয়া ক্লাব, তেজপুৰ''এ শোণিতপুৰ বিশেষকৈ তেজপুৰৰ বৰেণ্য ব্যক্তিৰ পৰিচয়মূলক এলানি পুথি প্ৰকাশৰ দিহা কৰিছে।

ই এক জটিল তথা দুৰূহ কাম, যদিও ক্লাবে তেনে বিশিষ্ট ব্যক্তিৰ এখন দীঘলীয়া তালিকা প্ৰস্তুত কৰিছে। প্ৰথমে কোন কোন ব্যক্তিক প্ৰাধান্য দিয়া হ'ব ? ইয়াৰ উত্তৰত আমি ঠিক কৰিছো যে অসমীয়া ক্লাবৰ সৈতে জড়িত হোৱা ব্যক্তিক প্ৰথমে আমি তুলি ধৰিম যদিও ঐতিহাসিক প্ৰেক্ষাপটৰ ওপৰত ঠিয় হৈ আনসকলকো গুৰুত্ব দিয়া হ'ব। আনহাতে তেজপুৰৰ কিছু বৰেণ্য, বাটকটীয়া ব্যক্তি সমাজত তথা সমগ্ৰ অসমত বহুল চৰ্চিত হৈছে আৰু হৈ আছে; তেনে ব্যক্তিক সদ্যহতে আমি অন্তৰ্ভূক্ত কৰা নাই। উদাহৰণ স্বৰূপে জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু প্ৰসাদ ৰাভা আদি।

'অসমীয়া ক্লাবে' অহা ২০১৫ চনত শতবৰ্ষ উদ্‌যাপন কৰিব। তেতিয়ালৈ কমেও ২০খন পুথি প্ৰকাশৰ লক্ষ্য লৈছে। পৰ্য্যায়ক্ৰমে পাঁচখনকৈ পুথি প্ৰকাশ কৰা হ'ব। 'শোণিত সুবাস' নামেৰে এই গ্ৰন্থমালাৰ নামাকৰণ কৰা হৈছে। আমি নিৰ্দ্দিষ্ট ব্যক্তিৰ পৰিয়ালৰ লোকৰ দ্বাৰা পুথি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছো যদিও আন লেখকৰ দ্বাৰাও এই প্ৰচেষ্টা চলোৱা হৈছে।

আমি বেটুপাতৰ প্ৰথম আৱৰণত অসমীয়া ক্লাবৰ জন্মলগ্নত জড়িত থকা আৰু অসমীয়া ক্লাবৰ আহুকালৰ সময়ত জড়িত প্ৰয়াত নমস্য ব্যক্তিৰ ছবি সন্নিবিষ্ট কৰিছো। পিছৰ আৱৰণতো একেই আধাৰ গ্ৰহণ কৰা হৈছে।

বিশিষ্ট ব্যক্তিৰ চমু পৰিচয়মূলক পুথি প্ৰণয়নৰ ওপৰতেই প্ৰধানকৈ জোৰ দিছো, সেয়েহে মূল্যায়ন বা ব্যাখ্যা কৰাৰ পৰা বিৰত আছো। লগতে নিৰ্দ্দিষ্ট ব্যক্তিৰ কোনো বিশেষণো আমি নামৰ সৈতে যুক্ত কৰা নাই; যদিও জনপ্ৰিয় উপাধিৰ সম্পৰ্কে লিখনিত প্ৰকাশ কৰাত কাৰ্পন্যও কৰা নাই। সৰু হাতপুথিৰ লেখিয়াকৈ প্ৰকাশৰ সিদ্ধান্ত লোৱাৰ বাবে আমি সম্পাদনাও কৰিবলগীয়া হৈছে। তাৰবাবে ক্লাবে শ্ৰী ৰুবুল শৰ্মাক দায়িত্ব দিয়ে।

সম্পাদনাৰ ক্ষেত্ৰত লোৱা পদ্ধতি হ'ল, যি পুথিৰ পাণ্ডুলিপিৰ কলেৱৰ প্ৰয়োজনতকৈ দীঘল হৈছে তাক চমু কৰিবলৈ চেষ্টা কৰা হৈছে; যদিও লিখকৰ মূল কথা বা গুৰুত্বপূৰ্ণ তথ্য অক্ষত ৰখা হৈছে। একেদৰে চমু হোৱা পাণ্ডুলিপিৰ কলেৱৰ বঢ়োৱা হৈছে। যিসকল বৰেণ্য ব্যক্তি অসমীয়া ক্লাৱৰ সৈতে জড়িত আছিল, সেইসকলৰ ক্লাবৰ সৈতে থকা সম্পৰ্ক তুলি ধৰিবলৈ চেষ্টা কৰা হৈছে।

পাণ্ডুলিপি প্ৰস্তুত কৰা ব্যক্তিৰ একাংশ নিয়মীয়া লেখক নহয়। গতিকে আমি সাহিত্যতকৈ নিৰ্দ্দিষ্ট ব্যক্তিৰ ঐতিহাসিক, সামাজিক পৰিসৰত নিজস্ব অবদান, ত্যাগ তথা কৰ্মৰ ওপৰত বিশেষ গুৰুত্ব দিছো। বানান বিভ্ৰাট কমাবলৈ অশেষ চেষ্টা কৰা হৈছে যদিও সফলকাম হ'ব পাৰিছো বুলি দাবী কৰিব নোৱাৰো।

আমি প্ৰকাশিত পুথিৰ অৱিহণা নিৰ্দ্ধাৰণ কৰিছো তথাপিও বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠান তথা ব্যক্তিৰ বৰঙণিও আশা কৰিছো। যাতে ধাৰাবাহিক ভাবে এনে পুথি প্ৰকাশ কৰাত অসমীয়া ক্লাব আৰ্থিক দৈন্যত নপৰে।

যিসকলে লিখা প্ৰস্তুত কৰি দি ক্লাবৰ এই মহান কামত সহায় কৰিলে, বেটুপাতৰ প্ৰচ্ছদ আঁকি শ্ৰদ্ধেয় কুমুদ বৰুৱাই যি সহায় কৰিলে, যি সকলে বিভিন্ন তথ্য সৰবৰাহ কৰি সহায়ৰ হাত আগবঢ়ালে সেই সকলোলৈকে অসমীয়া ক্লাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে 'টাইকল' প্ৰেছৰ সমূহ কৰ্মীবৃন্দক ধন্যবাদ জ্ঞাপন কৰিছো।

অসমীয়া ক্লাবৰ এই মহান উদ্যোগক আগুৱাই নিয়াৰ বাবে সকলোৰে সহায় সহযোগ আৰু দিহা পৰামৰ্শ কামনা কৰো।

**- অসমীয়া ক্লাব, তেজপুৰ**

**জন্ম আৰু আঁতিগুৰি ঃ** দণ্ডিনাথ কলিতাৰ উপৰিপুৰুষ উজনি অসমৰ আছিল আৰু আহোম ৰজাৰ বিষয়বাব খাইছিল। মানৰ আক্ৰমণৰ সময়ত তাৰে চাৰিটা পৰিয়াল পলাই আহি তেজপুৰৰ নিকটবৰ্তী অঞ্চলত বসবাস কৰিবলৈ লয়। পিছলৈ তাৰে এটা পৰিয়াল উঠি আহি তেজপুৰৰ কেতেকীবাৰীতে নিগাজীকৈ থাকিবলৈ ল'লে। সেইসময়ত সীমিত সংখ্যক কৃষিজীৱী পৰিয়াল কেতেকীবাৰীৰ বাসিন্দা আছিল। ৰজাঘৰৰ শইকীয়া বিষয়বাব এৰি আহি দণ্ডিনাথৰ পিতৃ-পিতামহ ভৰামে কৃষি-কৰ্মতে মনোনিবেশ কৰে। পুৰুষানুক্ৰমে সুৰাম, মঙ্গলাৰামেও এই বৃত্তিকে আঁকোৱালি লয়। সেইবাবে পিছলৈ নিজ জাতি 'কলিতা'কে উপাধি হিচাপে গ্ৰহণ কৰে। ১৮৯০ চনৰ ২৬ ফেব্ৰুৱাৰী তাৰিখে এই পৰিয়ালতেই অসমীয়া ভাষা-সাহিত্যৰ পুৰোধা ব্যক্তি দণ্ডিনাথ কলিতাৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম মঙ্গলাৰাম কলিতা আৰু মাতৃৰ নাম জোনাকী কলিতা। দণ্ডিনাথ তেওঁলোকৰ দ্বিতীয় সন্তান। পিতৃপ্ৰদত্ত নাম যদিও দণ্ডিৰাম আছিল, সাহিত্য ক্ষেত্ৰত আৰু সামাজিক ভাবে দণ্ডিনাথ কলিতা হিচাপেহে পৰিচিত।

**ছাত্ৰজীৱন ঃ প্ৰাথমিক বিদ্যালয় ঃ** দণ্ডিনাথে কাঁহদল প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ আদি পাঠ গ্ৰহণ কৰে। মাথো কেইদিনমানতে বছৰটোৰ পাঠ পঢ়ি শেষ কৰা দেখি, শিক্ষকে তেওঁৰ মেধাৰ পৰিচয় পাই একেকোবে তৃতীয় শ্ৰেণীত বহুৱায়গৈ। সেই সময়তে বিদ্যালয় কৰ্তৃপক্ষই বিদ্যালয়ৰ উন্নয়নৰ বাবে ছাত্ৰৰ পৰা এপইছাকৈ বিচৰাত, পিতাকে দণ্ডিনাথক স্কুললৈ যোৱাত বাধা আৰোপ কৰে। এই কথা জানিব পাৰি পিঠাখোৱা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকে দণ্ডিনাথৰ পিতাকক এনেদৰে বুজায় যে বিদ্যালয়লৈ পঠিয়ালেহে ল'ৰাটোৱে বৃত্তি পৰীক্ষা দিব পাৰিব আৰু মাহে-মাহে বৃত্তি লাভ কৰিব। শিক্ষকৰ কথাত পতিয়ন গৈ পিতাকে দণ্ডিনাথক পূৰ্ব্বৰ কাঁহদল বিদ্যালয়লৈকে পঠিয়াই দিলে আৰু সঁচাকৈয়ে দণ্ডিনাথে এই বিদ্যালয়ৰ পৰাই বৃত্তি পৰীক্ষাদি জিলাৰ ভিতৰত প্ৰথম স্থান লাভ কৰিলে।



**ছাত্ৰ বৃত্তি স্কুলত ঃ** দণ্ডিনাথক এইবাৰ কেইবাটাও স্বৰ্ত্ত ৰাখিহে পিতাকে নগৰৰ বিদ্যালয়লৈ পঠিয়ালে। প্ৰথম স্বৰ্ত্ত হ'ল, ঘৰত কিতাপ পঢ়া নিষেধ। দ্বিতীয়টো হ'ল বিদ্যালয়লৈ যাবলৈ হ'লে কৃষিকৰ্ম কৰিহে যাব পাৰিব। সেইসময়ত তিনি টকা জলপানিৰ মূল্য বহুত বাবেই হয়তো পিতাকে নগৰত পঢ়িবলৈ অনুমতি দিছিল। ঘৰত কিতাপ পঢ়াৰ যিহেতু নিয়মেই নাছিল, সেয়েহে পুথিভড়ালৰ কিতাপো আধাপঢ়া হ'লে গৰু ৰখাৰ চলেৰে পথাৰতহে পঢ়িছিল। তেজপুৰ সদৰ মজলীয়া স্কুলত নাম লগোৱাৰ পিচত দণ্ডিনাথৰ অসাধাৰণ বুদ্ধিমত্তাই সকলো শিক্ষকক মোহিত কৰিছিল। অতি কম সময়ত বছৰটোৰ পাঠ আয়ত্ব কৰিব পৰা ক্ষমতা দেখি দণ্ডিনাথে বৃত্তি পৰীক্ষাত ভাল ফল দেখুৱাব বুলি শিক্ষকসকল নিশ্চিত হ'ল। ছাত্ৰ-বৃত্তি পৰীক্ষাত দণ্ডিনাথে জিলাৰ ভিতৰত প্ৰথম হৈ চাৰিটকীয়া বৃত্তি লাভ কৰিলে।

**ইংৰাজী স্কুলত ঃ** ১৯০২ চনত তেওঁ তেজপুৰ হাইস্কুলৰ তৃতীয় শ্ৰেণীত নাম লগালে। ইংৰাজী স্কুললৈ আহি ইংৰাজীৰ বাহিৰে অন্য বিষয় তেওঁৰ পঢ়িবলগীয়া নহৈছিল। শ্ৰেণী আৰম্ভ হোৱাৰ আগেয়েই পুথিভড়াললৈ গৈ সকলো পাঠ্যপুথি পঢ়ি শেষ কৰিছিল। প্ৰথম বছৰতেই চাৰি বছৰৰ ইংৰাজী পাঠ সম্পূৰ্ণ কৰি পেলোৱাত ছাত্ৰৰ বিচক্ষণতাত মুগ্ধ হৈ শিক্ষকসকলে আলোচনা কৰি দণ্ডিনাথক ষষ্ঠ শ্ৰেণীলৈ প্ৰমোচন দিয়ে। স্কুলীয়া অৱস্থাত দণ্ডিনাথৰ অসাধাৰণ বোধ-শক্তিৰ পৰিচয় শিক্ষকসকলে পাইছিল। সপ্তম শ্ৰেণীত (Third Class) পঢ়ি থাকোতে অঙ্কৰ শিক্ষকজনে কৰিব নোৱাৰা অঙ্ক এটা বৰ্ডত শুদ্ধকৈ কৰি ছাত্ৰসকলক বুজাই দিয়া, সংস্কৃতৰ শিক্ষকে উচ্চাৰণ ভুলকৈ কৰাত শুধৰাই দি শিক্ষকৰ ৰোষত পৰাৰ দৰে ঘটনাও ঘটিছিল। মেট্ৰিকৰ বাচনি পৰীক্ষাত দণ্ডিনাথ উচ্চ গণিতৰ একমাত্ৰ ছাত্ৰ আছিল। স্কুলত উচ্চ গণিতৰ শিক্ষক নথকাত, দণ্ডিনাথৰ বাবে উচ্চ গণিতৰ প্ৰশ্নকাকত নাহিল। বিবুদ্ধিত পৰি প্ৰধান শিক্ষকে দণ্ডিনাথক ভূগোল পৰীক্ষাকে দিবলৈ ক'লে। ভূগোল বিষয়টো যিহেতু দণ্ডিনাথৰ নাছিলেই; পুথিভড়ালত আয়ত্ব

কৰা জ্ঞানেৰেই তেওঁ পৰীক্ষাত বহিল। পৰীক্ষাৰ ফলাফল ওলোৱাত দেখা গ'ল যে, ভূগোল বিষয়ত দণ্ডিনাথে সৰ্বোচ্চ নম্বৰ পাইছে। এইবাৰ তেওঁৰ মেধাৰ ওপৰত শিক্ষকসকলৰ বিশ্বাস দুগুণে বাঢ়িল। **১৯১১** চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত প্ৰথম দহটাৰ ভিতৰত স্থান লাভ কৰি বৃটিছ চৰকাৰৰ কুইন ভিক্টোৰিয়াৰ মোহৰ মৰা পদক আৰু জলপানি লাভ কৰে। দণ্ডিনাথ কলিতাই স্কুলীয়া জীৱনত নিজে এখন মাত্ৰ কিতাপ কিনিছিল। কিতাপখন হৈছে 'এংলো সংস্কৃত ডিক্চনাৰী'।

**কটন কলেজত ঃ** মেট্ৰিকত জলপানি পোৱাৰ পিচত, সেই সময়ৰ অসমৰ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল কটন কলেজত পঢ়িবলৈ তেওঁ মন মেলে। প্ৰথম অৱস্থাত আৰ্থিক অনাটনৰ বাবে পিছ হুহকিছিল যদিও, কেইবাজনো শুভাকাঙ্খীৰ সাহায্যত তেওঁ কটন কলেজত নাম ভৰ্ত্তি কৰে। কলেজৰ প্ৰথম দিনটোতে তেওঁ অধ্যাপক চুডমাৰ্চন চাহাবৰ চকুত পৰে। ছাত্ৰক উদ্দেশ্যি চুডমাৰ্চন চাহাবে এটা ভাষণ দিয়াৰ পিচত, ছাত্ৰসকলৰ জ্ঞানৰ মাপকাঠি জুখিবলৈ বৰ্ডত এটা বিষয় লিখি দি, বিষয়টোৰ ওপৰত নিজা নিজা দৃষ্টিভঙ্গী কেনেধৰণৰ এই বিষয়ে লিখিবলৈ দিলে। দুদিন মান পিচত চুডমাৰ্চন চাহাবে দণ্ডিনাথক কাৰ্যালয়লৈ মাতি পঠিয়ালে। দণ্ডিনাথ সন্মুখত থিয় হোৱাৰ লগে লগে চুডমাৰ্চন চাহাবে তেওঁক পিঠিত চপৰিয়াই অভিনন্দন জনালে আৰু সুধিলে - 'ৰচনাত লিখা কথাবোৰ তোমাৰ জীৱন বৃত্তান্ত নেকি ?' দণ্ডিনাথে মূৰ দুপিওৱাত তেওঁ ক'লে - 'এয়াতো প্ৰথম বাৰ্ষিকৰ ছাত্ৰৰ ৰচনা যেন লগা নাই, মই যেন কোনো যশস্বী লেখকৰ কৰুণ জীৱন কাহিনীহে পঢ়িছো !' তেওঁ দণ্ডিনাথৰ ঘৰুৱা অৱস্থাৰ বুজ ললে আৰু মাচুল মাফ কৰি দিলে। আবেলি আবেলি তেওঁৰ লগত বেডমিন্টন খেলিবলৈকো মাতিলে। বহীখনৰ ওপৰত লিখি দিলে 'Excelent full Marks'

কটনত প্ৰথম বাৰ্ষিক বৰ ভাল ধৰণেই পাৰ হ'ল। দ্বিতীয় বাৰ্ষিক পোৱাৰ লগে-লগে বিষ-কোপ নানা বেমাৰে আকৌ তেওঁক আগুৰি ধৰিলে।



ইপিনে ঘৰত পঢ়িবলৈ নিজা বুলিবলৈ একো কিতাপ পত্ৰ নথকাত মাথো শ্ৰেণীৰ পাঠৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হ'ল। এনেয়ে আৰ্থিক ভাৱে দুৰ্বল তাতে শাৰীৰিক অৱস্থাই তেওঁক একেবাৰে জুৰুলা কৰি পেলালে। জলপানি কটা যোৱাৰ ভয়ত পৰীক্ষা দিলে যদিও, আগৰদৰে চমকপ্ৰদ ফলাফল দেখুৱাব নোৱাৰিলে। পৰীক্ষা দি উঠি তেওঁ তেজপুৰ পালেহি। এনে সময়তে চুডমাৰ্চন চাহাবে দণ্ডিনাথলৈ চিঠি দি জনালে যে, শিক্ষামন্ত্ৰী কটন কলেজলৈ আহিব, তেওঁ যেন পৰীক্ষাৰ সময়ত হোৱা অসুখৰ বিৱৰণ দি বৃত্তি কটা নাযাবলৈ এখন দৰ্খাস্ত দিয়ে। চিঠি পায়েই দৰ্খাস্ত দিবলৈ দণ্ডিনাথ গুৱাহাটীলৈ ওলাল। একে সময়তে পদ্মনাথ গোহাঞি বৰুৱাদেৱো গুৱাহাটীলৈ ওলোৱাত; তেৱেঁই নিজহাতে শিক্ষা মন্ত্ৰীক দিম বোলাত, দণ্ডিনাথে নিজে নগৈ তেওঁৰ হাততেই দৰ্খাস্তখন দি পঠিয়ালে। অৱশেষত শিক্ষামন্ত্ৰীয়ে দৰ্খাস্তখন নাপালে। ফলত প্ৰিয় ছাত্ৰ দণ্ডিনাথে কথা নৰখা বুলি প্ৰিন্সিপাল চুডমাৰ্চন চাহাবে ভুল বুজিলে আৰু দণ্ডিনাথৰ প্ৰতি তেতিয়াৰে পৰা বিৰাগভাব দেখুৱালে। দণ্ডিনাথৰ শিক্ষাজীৱনত এইটো আটাইতকৈ ক্ষতিকাৰক আৰু দুখজনক ঘটনা। কটন কলেজত মেধাবী ছাত্ৰ হিচাবে অধ্যাপকসকলৰ স্নেহভাজন হৈছিল যদিও, স্নাতক পৰীক্ষাত পুনৰ নৰিয়াত পৰাত তেওঁ সুকলমে পৰীক্ষা শেষ কৰিব নোৱাৰিলে। কিন্তু তেওঁৰ সংস্কৃত পৰীক্ষাৰ বহী চাই কলিকতা বিশ্ববিদ্যালয়ৰ অধ্যাপকসকল ইমানেই আকৰ্ষিত হৈছিল যে, ছাত্ৰৰ মেধা সম্পৰ্কে অভিনন্দন জনাই কটনৰ অধ্যাপকলৈ চিঠি দিছিল আৰু বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা সংস্কৃত অৰ্নাচত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰতে দ্বিতীয় স্থান পোৱা বুলি জনাইছিল।

**শিক্ষকতা ঃ** আৰ্থিক দীনতাৰ বাবেই উচ্চশিক্ষাৰ প্ৰবল হেঁপাহৰ ইতি পেলাই তেজপুৰ চৰকাৰী হাইস্কুলতে দণ্ডিনাথে চাকৰি জীৱনৰ পাতনি মেলিলে। শিক্ষক হিচাপে তেওঁৰ কৰ্তব্যনিষ্ঠা আৰু নিয়মানুৱৰ্তিতা আছিল অসাধাৰণ। শ্ৰেণীত পাঠদান কৰি থকা সময়ত এবাৰ সেইসময়ৰ দৰং জিলাৰ উপায়ুক্ত

যুৰোপীয়ান চাহাবে তেওঁক মাতিবলৈ এজন পিয়াদা পঠিয়াই দিছিল। 'পাঠদানৰ সময়ত যাব নোৱাৰো' বুলি কৈ তেওঁ পিয়াদাক পঠিয়াই দিলে। এনে কৰ্তব্যপৰায়ণ শিক্ষকক লগ পাবৰ বাবে স্বয়ং উপায়ুক্ত আহি স্কুলত উপস্থিত হ'লহি। তেওঁ দণ্ডিনাথক প্ৰশংসা কৰিলে আৰু কানি নিবাৰণীৰ ওপৰত এখন নাটক লিখিবলৈ অনুৰোধ জনাবৰ বাবেহে মাতি পঠিয়াইছিল বুলি ব্যক্ত কৰিলে। উপায়ুক্তৰ অনুৰোধক্ৰমে তেওঁ লিখি উলিয়ালে 'মুক্তিৰ অভিযান' নামৰ এখন জনপ্ৰিয় নাটক।

তেওঁৰ পাঠদানৰ প্ৰক্ৰিয়া আছিল সুকীয়া। শ্ৰেণীত পাঠদানৰ ওপৰত আগদিনাই এখন আৰ্হি প্ৰস্তুত কৰি লৈছিল। ছাত্ৰক যাতে শ্ৰেণীতে সকলো কথা খৰচি মাৰি বুজাব পাৰে এই বিষয়ে তেওঁ অধিক মনোযোগ দিছিল। তেওঁ যিদৰে পুত্ৰবত স্নেহেৰে ছাত্ৰক শিক্ষা দিছিল, ছাত্ৰসকলেও সেইদৰেই তেওঁক ভক্তি কৰিছিল। শাৰীৰিক শাস্তি দিয়াৰ তেওঁ পক্ষপাতী নাছিল। ছাত্ৰৰ মানসিক উত্তৰণৰ প্ৰতিহে সদায় লক্ষ্য ৰাখিছিল। সেইবাবেই হয়তো ড° ভূপেন হাজৰিকা দেৱে তেওঁৰ প্ৰিয় শিক্ষাগুৰু দণ্ডিনাথ কলিতাৰ কথা সদায় সুঁৰিছিল। শ্ৰেণীত তেওঁ অংক, অসমীয়া আৰু সংস্কৃত শিকাইছিল। তেওঁৰ জ্ঞানৰ গভীৰতা দেখি ছাত্ৰই তবধ মানিছিল। শিক্ষকতা কৰা কালচোৱাত তেওঁ ঢাকাত এল, টি পঢ়ি আহিছিল। তেওঁ চাকৰি কৰা কালত তেজপুৰ চৰকাৰী হাইস্কুল অসমৰ ভিতৰতে প্ৰথম স্থানত আৰু কলিকতা বিশ্ববিদ্যালয়ৰ অন্তৰ্গত হাইস্কুলৰ ভিতৰত একাদশ স্থানত আছিল। ১৯৩৩ চনৰ ২১ আৰু ২২ ডিচেম্বৰ তাৰিখে স্কুল পৰিদৰ্শক শৰৎ চন্দ্ৰ গোস্বামীৰ পৰিদৰ্শন টোকাত দণ্ডিনাথ আৰু তেওঁৰ সতীৰ্থ গোপীনাথ মেধি, মহীকান্ত মহন্তৰ শিক্ষা পদ্ধতিক উচ্চ প্ৰশংসা কৰা দেখা গৈছে। শিক্ষা দানৰ দৰে এক মহান কৰ্মত ব্ৰতী হৈ ১৯৪৫ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে।

**ঘৰুৱা জীৱন আৰু ব্যক্তিত্ব ঃ** ১৯২৪ চনত দণ্ডিনাথ কলিতাই তেজপুৰৰ ডিপোটাৰ কৃষ্ণকান্ত শইকীয়া আৰু যজ্ঞেশ্বৰী শইকীয়াৰ দ্বিতীয় কন্যা



কমলেশ্বৰী শইকীয়াৰ সৈতে বিবাহ পাশত আৱদ্ধ হয়। তেওঁৰ বিয়াৰ চিঠিখনত উপহাৰ নানিবলৈ নিমন্ত্ৰিতসকলক জনোৱা অনুৰোধ, তেজপুৰীয়া ৰাইজৰ মাজত চৰ্চাৰ বিষয় হৈ পৰিছিল। কমলেশ্বৰী আছিল এগৰাকী শান্ত-সৌম্য, স্নেহশীলা, মানৰ দৰদী আদৰ্শময়ী নাৰী। কমলেশ্বৰীৰ সাহচৰ্যত দণ্ডিনাথে তেজপুৰৰ লম্বোদৰ বৰা পথত ১৯৩০ চনতে নিৰ্মিত বাসগৃহ 'মঙ্গলালয়' আশ্ৰম সদৃশ কৰি গঢ়ি তুলিছিল। কমলেশ্বৰী ইমানেই কৰ্মনিপুণ আছিল যে, ঘৰখনত ব্যৱহৃত সকলো কাপোৰ-কানি, জা-জলপান নিজ হাতে তৈয়াৰ কৰিছিল। তাৰোপৰি স্বামীয়ে যাতে সাহিত্য সেৱা আৰু সামাজিক কাম-কাজত কোনো কথাতে বাধা নাপায়, তাৰ বাবে তেওঁ ঘৰখনৰ সকলো দায়িত্ব মূৰ পাতি লৈছিল। তেওঁলোকৰ বিবাহৰ শুভফল স্বৰূপে বাৰটি সন্তান লাভ কৰে যদিও, এটি কন্যা সন্তান জন্মৰ পিচতে ঢুকায়। দণ্ডিনাথে ল'ৰা-ছোৱালীক সৰুৰে পৰা আত্মনিৰ্ভৰশীল হ'বলৈ শিকাইছিল। বন্ধু চন্দ্ৰনাথ শৰ্মাৰ স্মৃতিত ঘৰতে 'চন্দ্ৰনাথ শৰ্মা গৃহ পুথিভঁড়াল' স্থাপন কৰি দিছিল যাতে সৰুৰে পৰা ল'ৰা-ছোৱালী অধ্যয়নশীল হয় আৰু নিজৰ ভাষা-সাহিত্যক শ্ৰদ্ধা কৰিবলৈ শিকে। সত্যবাদিতা, ন্যায়পৰায়ণতা আদি সজ গুণেৰে বিভূষিত বৰপুত্ৰ হিৰণ্যৰঞ্জন তেওঁৰ আদৰ্শৰেই ডাঙৰ-দীঘল হৈছিল। তেওঁ আশা কৰিছিল, তেওঁৰ আধৰুৱা কামবোৰ হিৰণ্যই সম্পূৰ্ণ কৰিব। কিন্তু নিয়তিৰ নিষ্ঠুৰ পৰিহাসত ১৯৪৮ চনৰ সোতৰ জানুৱাৰী তাৰিখে এটা মটৰ দুৰ্ঘটনাত হিৰণ্যৰ অকাল বিয়োগ ঘটিল। এই ঘটনাই দণ্ডিনাথক মানসিক ভাৱে জুৰুলা কৰিলে। তেওঁৰ সৃষ্টিশীল মনটো লাহে-লাহে স্থবিৰ হৈ পৰিল। কমলেশ্বৰীৰ আদৰ-যত্নত ঠন ধৰি উঠা স্বাস্থ্য যেন আকৌ ভাগি পৰিল। বেমাৰে-আজাৰে তেওঁক আগুৰি ধৰিলে। লাহে-লাহে তেওঁ শয্যাশায়ী হ'ল। দিন-ৰাতি একাকাৰ কৰি পত্নী কমলেশ্বৰীয়ে তেওঁক যি ভাবে শুশ্ৰূষা কৰিলে তাৰ তুলনা নাই ! যি কথা দণ্ডিনাথে নিজেও বহুতৰ আগত স্বীকাৰ কৰিছে। ১৯৫৫ চনৰ ১৫ মে' তাৰিখে অসমৰ জাতীয় জীৱনৰ এইজনা কাণ্ডাৰীয়ে নিজ বাসগৃহ 'মঙ্গলালয়ত' শেষ-নিশ্বাস ত্যাগ কৰে।

ব্যক্তি হিচাপে তেওঁ আছিল অতুলনীয়। সত্যবাদিতা আৰু ন্যায়-পৰায়ণতাই তেওঁৰ ভূষণ। অন্যায়ৰ সৈতে কোনোদিনেই তেওঁ আপোচ নকৰিছিল। তেওঁ কাকো তোষামোদ কৰি কথা নকৈছিল আৰু আনে তোষামোদ কৰিলেও ভাল নাপাইছিল। কিন্তু তেওঁৰ ছাত্ৰ সকলৰ মাজত যদি কিবা প্ৰতিভাৰ সন্ধান পাইছিল, আগবাঢ়ি যাবৰ বাবে উৎসাহ যোগাইছিল। তেওঁ আছিল খুব স্পষ্টবাদী। যাৰ বাবে দুই একৰ বিৰাগ ভাজনো হৈছিল। সময় নিষ্ঠা তেওঁৰ চৰিত্ৰৰ আন এক উজ্জ্বল দিশ। বাহিৰৰ পৰা যদিও তেওঁক বৰ খঙাল ব্যক্তি যেন লাগিছিল, প্ৰকৃততে তেওঁ অনুভূতিপ্ৰৱণ আৰু ৰসিক মানুহ আছিল। বন্ধু-বান্ধৱৰ মাজতহে সেই ৰসৰ নিজৰা বোৱাইছিল বাবে এইকথা সৰ্বসাধাৰণে নাজানিছিল। তেওঁ আছিল এজন প্ৰকৃত দেশপ্ৰেমিক। দেশ আৰু জাতিৰ উন্নতিৰ চিন্তাই তেওঁৰ জীৱনৰ প্ৰতিটো মুহূৰ্ত আলোড়িত কৰি ৰাখিছিল।

**সমাজ সেৱা ঃ** ছাত্ৰ অৱস্থাৰে পৰা সমাজৰ কামত দণ্ডিনাথে মন-প্ৰাণ সঁপি দিছিল। প্ৰিয়তম বন্ধু চন্দ্ৰনাথ শৰ্মাৰ লগ হৈ অস্পৃশ্যতা দূৰীকৰণ,অনুসূচিত জাতিৰ উন্নয়ন, গাঁও সংগঠন, মাদকদ্ৰব্য নিবাৰণ, স্ত্ৰী শিক্ষাৰ প্ৰসাৰ আদি কামত নিজকে নিয়োজিত কৰিছিল। শিশু আৰু কিশোৰৰ মানসিক বিকাশ সাধনৰ অৰ্থে **১৯৪২** চনত অসমত পোন প্ৰথমবাৰৰ বাবে ‘পাৰিজাত সঙ্ঘ’ নামৰ এটি অনুষ্ঠান গঢ়ি তুলিছিল।ভৱিষ্যতে সু-নাগৰিক হবৰ হ’লে শিশুৰ মানসিক আৰু শাৰীৰিক উত্তৰণ ঘটোৱাৰ প্ৰয়োজন, এই অনুষ্ঠানৰ এয়ে উদ্দেশ্য আছিল। ‘পাৰিজাত সঙ্ঘ’ৰ নিগাজি সভাপতি আছিল দণ্ডিনাথ কলিতা। বৰ্ত্তমান এই অনুষ্ঠানৰ প্ৰতিজন সদস্যই অসমৰ একো-একোটি উজ্জ্বল ৰত্ন ৰূপে বিভিন্ন ক্ষেত্ৰত জিলিকি আছে। অসমৰ নিবনুৱা সমস্যা সমাধানৰ অৰ্থে তেওঁ এখন আঁচনি প্ৰস্তুত কৰিছিল। যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ ক্ষেত্ৰত মেধাৰ ভিত্তিত আগবাঢ়িব পৰা নাই, তেওঁলোকক উচ্চশিক্ষা দিবলৈ যত্ন কৰাতকৈ, প্ৰাথমিক আৰু মজলীয়া স্কুল পাচ কৰাৰ পিচত



বুনিয়াদী শিক্ষাৰ প্ৰয়োজনীয়তাৰ যোগাত্মক দিশ সমূহ এই আঁচনিত সন্নিবিষ্ট কৰিছিল। তাৰ ভিতৰত আছিল বাঁহ-বেতৰ কাম, কাঠৰ কাম, মাটিৰ কাম, তাঁত শিল্প, অসমৰ মাটিত উৎপাদিত কেঁচা মালেৰে তৈয়াৰ কৰিব পৰা বিভিন্ন কুটীৰ শিল্প আৰু খেতি-বাতি। এনে আঁচনি ৰূপায়ণৰ বাবে পঞ্চাশ বিঘা মান মাটিৰ কথাও তাত উল্লেখ আছিল। তেওঁৰ সপোন আছিল এনে আঁচনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকল স্বাৱলম্বী হ’ব আৰু অসমৰ নিবনুৱা সমস্যা সমাধানত সহায়ক হ’ব। এই আঁচনিখন প্ৰস্তুত কৰি সেই সময়ৰ শিক্ষামন্ত্ৰী অমিয় কুমাৰ দাসলৈ প্ৰেৰণ কৰিছিল। মাটিৰ কথা উল্লেখ থকা বাবে আঁচনিখন অনুমোদন কৰিব পৰা নাযাব বুলি মন্ত্ৰী মহোদয়ে জনোৱাত, আঁচনিখন ফলপ্ৰসূ নহ’ল। সেইসময়ত চৰকাৰে এই আঁচনি ৰূপায়িত কৰা হ’লে, দৈনন্দিন জীৱনৰ সৰু-সুৰা কামবোৰৰ কাৰণে আজি অসমীয়া মানুহে আনৰ ওপৰত নিৰ্ভৰ কৰিব লগা নহ’লহেতেঁন।

‘স্থিৰ হ’ল দুয়োজনে/আজীৱন প্ৰাণে পণে/ গুচাম দেশৰ যত অজ্ঞতাৰ মলি; / ধৰাত নমাম স্বৰ্গ,/হ’ব লাভ চতুবৰ্গ,/ সমাজৰ যতমানে অনাচাৰ দলি।’ - বুলি বন্ধু চন্দ্ৰনাথ শৰ্মাৰ একেলগে সামাজিক কাম কৰাৰ সংকল্প লোৱা দণ্ডিনাথে, বন্ধু বিয়োগত যেন একেবাৰে নিঃসঙ্গ হৈ পৰিল। সমাজ সেৱা কৰিবলৈ তেওঁ কলমকে শেষ আশ্ৰয় হিচাপে গ্ৰহণ কৰিলে।

**সাহিত্যত দণ্ডিনাথ ঃ** সাহিত্য দণ্ডিনাথ কলিতাৰ প্ৰাণৰ স্পন্দন। ইংৰাজী স্কুলৰ দ্বিতীয় শ্ৰেণীত পঢ়ি থাকোতেই চন্দ্ৰনাথ শৰ্মা, হেমচন্দ্ৰ বৰুৱা (কেপ্তেইন) আৰু দণ্ডিনাথ কলিতাই আলচ কৰি এখন পষেকীয়া কাকত উলিয়াবলৈ স্থিৰ কৰে। এই কাকতৰ নাম দিয়া হৈছিল ‘চেতনা’। দণ্ডিনাথে কবিতা, প্ৰৱন্ধ লিখাৰ উপৰিও ধাৰাবাহিক ৰূপে এখন উপন্যাস লিখিবলৈ গাত লয়। চন্দ্ৰনাথে কাকতখনৰ সম্পাদকৰ দায়িত্ব বহন কৰে। প্ৰথম আৰু দ্বিতীয় সংখ্যা যথা সময়তে প্ৰকাশ হয়। তৃতীয় সংখ্যা উলিয়াবলৈ সাজু কৰোতেই প্ৰধান শিক্ষকে গম পাই সম্পাদক, লিখক, লিপিকাৰ সকলোকে

জৰিমনা বিহে। 'চেতনা' বন্ধ হ'ল কিন্তু দণ্ডিনাথৰ প্ৰাণত বোৱা সাহিত্যৰ নিজৰা কোনেও ৰুধিব নোৱাৰিলে। সেইবাবেই ইংৰাজী স্কুলৰ তৃতীয় শ্ৰেণীত পঢ়ি থাকোতেই বুৰঞ্জীমূলক উপন্যাস 'ফুল' লিখি উলিয়াবলৈ সক্ষম হয়। হেমচন্দ্ৰ বৰুৱা, বসন্ত কুমাৰ বৰুৱা, নোমল চন্দ্ৰ গোস্বামী, চন্দ্ৰনাথ শৰ্মা, অন্নদাকুমাৰ পদ্মপতি আদি সহপাঠী সকলে দণ্ডিনাথক সাহিত্য সৃষ্টি কৰিবলৈ প্ৰেৰণা যোগাইছিল। তেওঁলোকেই আছিল তেওঁৰ লিখনিৰ প্ৰথম পাঠক। আনহাতে তেওঁৰ শিক্ষাগুৰু পদ্মনাথ গোহাঞি বৰুৱাদেৱেও সাহিত্য সাধনা অব্যাহত ৰাখিবলৈ উৎসাহিত কৰিছিল।

সাহিত্য ক্ষেত্ৰৰ এনে এটি বিষয় নাই, য'ত দণ্ডিনাথে হাত দিয়া নাই। এনেয়ে বাণীকান্ত কাকতিয়ে কলিতাৰ সাহিত্য সম্পৰ্কে কোৱা নাই, - ''স্বৰ্গীয় বেজবৰুৱাৰ পিচত একাণপতীয়াভাৱে যথা লাভ পণ কৰি অসমীয়া সাহিত্য চৰ্চা কৰা লোক কলিতাৰ বাদে দ্বিতীয়জন নোলায়।'' সাতখন উপন্যাস, আঠখন নাটক, তিনিখন ব্যঙ্গ কবিতাৰ সঙ্কলন, এখন কাব্য, দুখন কবিতা সঙ্কলন, এখন গল্প পুথি, সংস্কৃত নাটকৰ সাধু (দুটা খণ্ড), ব্যঙ্গাত্মক ৰচনা এখন, স্কুলীয়া অসমীয়া আৰু সংস্কৃত পাঠ্য-পুথি চাৰিখন, জীৱনী দুখন, শিশুগ্ৰন্থ এখন, সতী কাহিনী এখন, সম্পাদিত অন্যান্য গ্ৰন্থ চাৰিখনৰ উপৰিও 'Anglo Assamese Composition' এখনো যুটীয়া ভাবে যুগুতাই উলিয়াইছিল। অসমীয়া ভাষা-সাহিত্যলৈ মেটমৰা সম্ভাৰ আগবঢ়োৱাৰ পিচতো তেওঁৰ কেইবাখনো গ্ৰন্থৰ পাণ্ডুলিপি অপ্ৰকাশিত অৱস্থাতে আছে।

**কবি দণ্ডিনাথ ঃ** তিনিটা ধাৰাৰে কবিতা লিখি দণ্ডিনাথ কলিতাই অসমীয়া সাহিত্যৰ ভড়াললৈ ছখনকৈ কাব্য গ্ৰন্থ আগবঢ়াইছে। পৌৰাণিক ৰীতিৰ কাব্য, গহীন কবিতা আৰু ব্যঙ্গ কবিতা। 'অসম সন্ধ্যা' অসমৰ স্বাধীনতা বেলি মাৰ যোৱাৰ বুৰঞ্জী। মহাকাব্যৰ আৰ্হিত ৰচিত আৰু বাইছটা সৰ্গত বিভক্ত এই কাব্যখন সম্পৰ্কে ড° মহেশ্বৰ নেওগদেৱে কৈছিল - ''কাব্যখনিত কেবাটাও মনোৰম গুণ আছে - ইয়াৰ মনোৰম অমিত্ৰাক্ষৰ ছন্দ। ভাষাত কাব্য সুলভ



গাম্ভীৰ্য, দৃশ্য বৰ্ণনাত ঘটনাৰ প্ৰকৃত পটভূমি স্বৰূপ সাৰ্থকতা আৰু প্ৰতিসৰ্গৰ স্বতঃ সম্পূৰ্ণতা।'' 'অসম সন্ধ্যা' স্নাতকোত্তৰ শ্ৰেণীৰো এসময়ত পাঠ্যপুথি আছিল।'বীণাৰ ঝঙ্কাৰ' আৰু 'দীপ্তি' গহীন কবিতাৰ পুথি। 'বীণাৰ ঝঙ্কাৰ'ৰ প্ৰায়বোৰ কবিতাতে দেশপ্ৰেম আৰু জাতীয় জাগৰণৰ দুন্দুভি ধ্বনি শুনিবলৈ পোৱা যায়। কবিৰ প্ৰকৃতি প্ৰীতিও ইয়াত অনবদ্য ভাবে ধৰা দিছে। 'দীপ্তি'ৰ কবিতাসমূহ আধ্যাত্মিক চেতনাৰে ধৌত। ভাৰতীয় দাৰ্শনিক চিন্তাৰ প্ৰকাশ ঘটিছে প্ৰায়বোৰ কবিতাতে। অমৃত্ৰাক্ষৰ, মিত্ৰাক্ষৰ, ঘোষা আদি বিবিধ ছন্দত লিখা কবিতাবোৰত সংগীতৰ লয় অনুভূত হয়। তিনিখনকৈ ব্যঙ্গাত্মক কবিতা পুথিৰে জনপ্ৰিয়তাৰ শিখৰত উঠিছে দণ্ডিনাথ কলিতা । এই পুথি কেইখন হৈছে 'ৰহঘৰা', 'ৰগৰ', আৰু 'বহুৰূপী'। সমাজৰ শঠতা, ভণ্ডামি, দুৰ্নীতি, ব্যভিচাৰ আৰু জাতীয় সমস্যা সমূহ হাস্য-ব্যঙ্গৰ মাজেৰে তেওঁ আঙুলিয়াই দিছে। 'ৰিফৰ্ম-সুন্দৰী' কবিতাটোত নিৰ্বাচন আৰু এম-এল-এ সম্পৰ্কে ভোটাৰৰ অভিজ্ঞতাক লৈ কৰা তীব্ৰ ব্যঙ্গ বৰ্ত্তমান সমাজৰ বাবেও প্ৰযোজ্য।

**ঔপন্যাসিক দণ্ডিনাথ ঃ** চাৰিখন সামাজিক আৰু দুখন ঐতিহাসিক উপন্যাসেৰে দণ্ডিনাথ কলিতাই অসমীয়া উপন্যাস সাহিত্যত এক সুকীয়া আসন লাভ কৰিছে। হাইস্কুলৰ তৃতীয় শ্ৰেণীত (অষ্টম শ্ৰেণী) পঢ়ি থাকোতেই ঐতিহাসিক 'ফুল' উপন্যাস ৰচনা কৰি ভৱিষ্যতে এজন সফল ঔপন্যাসিক হোৱাৰ বাৰ্তা প্ৰেৰণ কৰিছিল। দণ্ডিনাথ কলিতাৰ চাৰিখন সামাজিক উপন্যাসৰ ভিতৰত ১৯২৮ চনত প্ৰকাশিত 'সাধনা' উপন্যাসে অধিক জনপ্ৰিয়তা লাভ কৰিছে। কুৰি শতিকাৰ দুটা দশকৰ ৰাজনীতি সমাজনীতিক প্ৰতিনিধিত্ব কৰাৰ উপৰিও 'সাধনা' ৰ মাজেদি নাৰীমুক্তি চেতনা প্ৰবাহিত হৈছে। দণ্ডিনাথ কলিতাৰ সমাজ সংস্কাৰৰ বাস্তৱ দিশতো 'সাধনা'ত পৰিস্ফুট। 'সাধনা'ৰ ঘাই চৰিত্ৰ 'দীনবন্ধু' সম্পৰ্কে ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই এনেদৰে মত ব্যক্ত কৰিছিল, - 'সাধনা'খনৰ দীনবন্ধু চৰিত্ৰই দুৰ্নীতি আৰু যৌনলিপ্সাৰে বিচলিত এখন সাগৰত নীতিৰ জাহাজখন ঠিক মতে বাই

নির্দ্দিষ্ট বন্দৰত নমাই দিব পৰাটো লেখকৰ বিশেষ কৃতিত্ব।'' ১৮৪৮ শকত অসম সাহিত্য সভাই সৰ্বোৎকৃষ্ট উপন্যাস হিচাপে 'সাধনাক' পুৰস্কৃত কৰে।দণ্ডিনাথ কলিতাৰ আন সামাজিক উপন্যাস কেইখন হৈছে - 'আৱিষ্কাৰ', 'অদৃষ্ট' আৰু ' পৰিচয়'। আটাইকেইখন উপন্যাসতে লিখকৰ সংস্কাৰকামী আৰু প্ৰগতিবাদী মনৰ পৰিচয় পোৱা যায়। ইতিহাসৰ ভিত্তিত ৰচনা কৰা উপন্যাস 'গণ-বিপ্লৱ'ত অষ্টাদশ শতিকাৰ অসমৰ ৰাজনৈতিক চিত্ৰ প্ৰতিভাত হৈছে। তেওঁৰ একমাত্ৰ ৰহস্য উপন্যাস 'হত্যাকাৰী কোন'। যিখনে ৰহস্য সাহিত্যত এক নতুন মাত্ৰা প্ৰদান কৰিছে।

**নাট্যকাৰ দণ্ডিনাথ ঃ** তেজপুৰৰ বাণ ৰঙ্গমঞ্চই যিসকল নাট্যকাৰক জন্ম দিছে, তাৰ ভিতৰত দণ্ডিনাথ কলিতা অন্যতম। তেওঁৰ নাটকসমূহ তিনি শ্ৰেণীত ভগাব পাৰি, — ঐতিহাসিক, পৌৰাণিক আৰু সামাজিক। সতীৰ তেজ, পৰাচিত, নগৰৰ বিহুতলী, পোহনীয়া কুকুৰ, মুক্তিৰ অভিযান, অগ্নিপৰীক্ষা, শেষ পৰীক্ষা, কীচক-বধ, বীৰ চিলাৰায় আদি নাটকে, অসমৰ নাট্য সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছে। জয়মতীৰ উপখ্যানৰ ওপৰত বিৰচিত 'সতীৰ তেজ' তেওঁৰ প্ৰথম নাটক। ১৮৫৩ শকৰ বহাগ মাহত জয়মতী উৎসৱ উপলক্ষে তেজপুৰৰ বাণ ৰঙ্গমঞ্চত 'সতীৰ তেজ' প্ৰথম অভিনীত হয়। দৰ্শকৰ অভূতপূৰ্ব সমাবেশে বাণ ৰঙ্গমঞ্চৰ উদ্যোক্তা আৰু নাট্যকাৰক যথেষ্ট উৎসাহিত কৰিছিল। বাণ ৰঙ্গমঞ্চত সুখ্যাতিৰে অভিনীত হোৱা লিখকৰ আন দুখন নাট 'বীৰ চিলাৰায়' আৰু 'অগ্নিপৰীক্ষা'য়ো 'সতীৰ তেজ'ৰ দৰে বাণ ৰঙ্গমঞ্চৰ বিখ্যাত অভিনেতা ডাক্তৰ ললিত মোহন চৌধুৰীৰ তাগিদাতে লিখা। পোন প্ৰথমবাৰৰ বাবে দণ্ডিনাথ কলিতাই চিলাৰায়ৰ বৰ্ণাঢ্য জীৱনক নাট্য ৰূপ দি, এইজনা মহান বীৰৰ প্ৰতি যথাযোগ্য সন্মান প্ৰদৰ্শন কৰিছে। তেওঁৰ আন এখন নাটক 'পৰাচিত' অসমৰ জ্বলন্ত বিদেশী সমস্যাৰ ওপৰত লিখা প্ৰথম বিয়োগান্ত নাটক। ১৯৪৯ চনতে প্ৰকাশ পোৱা 'পৰাচিত' নাটকৰ মাজেদি তেওঁ অসমৰ ৰাইজক বিদেশী সমস্যাৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনাইছিল।



অৱশ্যে নাটখনি ১৯৪৬ চনতে লিখি উলিওৱা হৈছিল। হাতে লিখা অৱস্থাতে 'পাৰিজাত সংঘ'ৰ সদস্য সকলৰ দ্বাৰা বাণ ৰঙ্গমঞ্চত আৰু এবাৰ অস্থায়ী মঞ্চত অভিনীত হৈছিল। তেওঁৰ নাটকত দুটা কথা পৰিলক্ষিত হয়। এবিধ গহীন আৰু আনবিধ হাস্যৰসমূলক অথবা ব্যঙ্গাত্মক। 'পোহনীয়া কুকুৰ' আৰু 'নগৰৰ বিহুতলী' ব্যঙ্গাত্মক নাটক। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ মতে - 'দণ্ডিনাথ কলিতাৰ ব্যঙ্গাত্মক তথা সামাজিক নাটকেইখনৰ ভিতৰত 'পোহনীয়া কুকুৰ'খন শ্ৰেষ্ঠ। সমাজৰ পৰা কানি নিবাৰণৰ অৰ্থে তেওঁ 'মুক্তিৰ অভিযান' নামৰ এখনি নাট ৰচনা কৰি ৰাইজক কানি বৰবিহ বৰ্জ্জন কৰিবলৈ সকিয়াই দিছিল।

**গল্পকাৰ দণ্ডিনাথ ঃ** ১৯২২ চনতে লিখা 'সাতসৰী' দণ্ডিনাথ কলিতাৰ একমাত্ৰ গল্পপুথি। সাতটা গল্পৰ সমাহাৰ 'সাতসৰী'ৰ প্ৰায় কেইটা গল্পতে সমাজৰ অন্যায়-অবিচাৰ, প্ৰেম-সংঘাত বিষয় বস্তু হিচাপে ধৰা দিছে। লিখকে গল্পবোৰৰ মাজেদি এটি শুভ বাৰ্তা প্ৰেৰণ কৰিবলৈ যত্ন কৰিছে। 'সাতসৰী'ৰ 'আই উঠ' শীৰ্ষক গল্পটিয়ে মানুহ আৰু প্ৰকৃতিৰ মাজত গঢ় লৈ উঠা অকৃত্ৰিম প্ৰেমৰ স্বাক্ষৰ বহন কৰিব পৰাতো লিখকৰ কৃতিত্ব।

**সংস্কৃত সাহিত্যত দণ্ডিনাথ ঃ** দণ্ডিনাথ কলিতা সংস্কৃতৰ এজন বিদগ্ধ পণ্ডিত। কালিদাস, ভৱভূতি আদি মহান লিখকৰ নাটক সমূহ সৰ্বসাধাৰণে বুজিব পৰাকৈ তেওঁ গল্পৰ আকাৰে লিখি উলিয়াইছিল। সংস্কৃত নাটকৰ সাধু দুটা খণ্ডত বিভক্ত। প্ৰথম খণ্ডতঃ শূদ্ৰকৰ 'মৃচ্ছকটিকা' কালিদাসৰ 'বিক্ৰমোৰ্বশী', 'শকুন্তলা', 'মালৱিকাগ্নিমিত্ৰ', ভ্ৱভূতিৰ 'মালতী-মাধৱ', 'মহাবীৰ চৰিত' আৰু 'উত্তৰ ৰাম চৰিত'। দ্বিতীয় খণ্ডত আছে ভাসৰ 'স্বপ্না বাসৱদত্তা' বিশাখ দত্তৰ 'মুদ্ৰাৰাক্ষস', শ্ৰীহৰ্ষৰ 'ৰত্নাৱলী', 'প্ৰিয়দৰ্শিকা' আৰু 'নাগানন্দ'। শূদ্ৰকৰ মূল সংস্কৃত নাটক 'মৃচ্ছকটিকাৰ কাহিনীভাগ ড° বাণীকান্ত কাকতিৰ অনুৰোধ ক্ৰমে তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ

স্নাতকোত্তৰ মহলাৰ ছাত্ৰ-ছাত্ৰীৰ বাবে অসমীয়ালৈ অনুবাদ কৰিছিল। কলিতাৰ সংস্কৃত নাটকৰ সাধুৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰি ড° বাণীকান্ত কাকতিয়ে 'Lamb's Tales from Shakespeare' লগত ইয়াক ৰিজাইছে।

**ব্যঙ্গ কাহিনীকাৰ দণ্ডিনাথ ঃ** 'আত্মানন্দৰ আত্ম কাহিনী' দণ্ডিনাথ কলিতাৰ উল্লেখযোগ্য ব্যঙ্গাত্মক ৰচনা। এক নিজস্ব ৰচনা ৰীতিৰে, বুদ্ধিদীপ্ত ব্যঙ্গাত্মক ভাষাৰে, কাহিনী আগবঢ়াই নিয়াত কল্পনাশক্তিৰ যি বিচক্ষণতা, তাক স্বীকাৰ নকৰি নোৱাৰি।

**জীৱনীকাৰ দণ্ডিনাথ ঃ** দণ্ডিনাথ কলিতাই অসমৰ দুজন পুৰোধা ব্যক্তি ৰায়বাহাদুৰ পদ্মনাথ গোহাঞি বৰুৱা আৰু কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ জীৱনী লিখি অসমীয়া জীৱনী সাহিত্যত এক অমূল্য সংযোজন ঘটালে। তেওঁৰ প্ৰথমখন জীৱনী গ্ৰন্থ প্ৰিয়তম বন্ধু চন্দ্ৰনাথ শৰ্মাৰ ওপৰত লিখা 'কৰ্মবীৰ চন্দ্ৰনাথ'। চন্দ্ৰনাথ শৰ্মাৰ জীৱন আৰু কৰ্মৰাজিৰ ওপৰত নিৰ্মোহ বিশ্লেষণ ডাঙি ধৰিছে দণ্ডিনাথ কলিতাই তথ্য সহকাৰে। এক কথাত কবলৈ গলে জীৱনীকাৰ হিচাপে তেওঁ আছিল অতি সচেতন। পাতনিত লিখা - 'সেইকাৰণে তেওঁ নিজে নজনা বা জানিও পাহৰা নাইবা চিঠিত উল্লেখ নথকা বহুতো ঘটনাই ইয়াত ঠাই নোপোৱাৰ সম্ভাৱনা' বুলি কোৱা কথাই এই কথা প্ৰমাণ কৰে। তেওঁৰ দ্বিতীয়খন জীৱনী গ্ৰন্থ হৈছে 'গোহাঞি বৰুৱা'। লিখকে নিজে যদিও কৈছে, - 'এই পুথি গোহাঞি বৰুৱাৰ সম্পূৰ্ণ জীৱনী নহয়, জীৱনীৰ আভাস মাত্ৰ।' তথাপিও এই ক্ষুদ্ৰ কলেৱৰতে তেওঁৰ শ্ৰদ্ধাৰ গুৰুজন গোহাঞি বৰুৱাৰ মহৎ কৰ্মৰাজি, অসমীয়া ভাষা-সাহিত্যৰ কাণ্ডাৰী পুৰুষজনক তুলি ধৰিবলৈ সক্ষম হৈছে। বৰ্ত্তমানৰ জীৱনীকাৰসকলে জীৱনী লিখোতে, প্ৰতিটো কথাই যিদৰে প্ৰামাণিক হলেহে দণ্ডিনাথ কলিতাই জীৱনীত সন্নিবিষ্ট কৰিছিল; এই কথালৈ মন দিয়া উচিত।



**সতী-কাহিনী ৰচক দণ্ডিনাথ ঃ** যুগে-যুগে যিসকল নাৰীয়ে সতীৰ মৰ্যাদা লাভ কৰিছে, সেই মহিয়সী নাৰী সতী, সাৱিত্ৰী, সীতা, দময়ন্তী, শকুন্তলা আৰু শৈব্যাক, প্ৰাচীন সাহিত্যৰ মাজৰ পৰা আনি একত্ৰিত কৰি দণ্ডিনাথ কলিতাই লিখি উলয়াইছে 'সতী-কাহিনী' নামেৰে এখনি মনোৰম গ্ৰন্থ। সুন্দৰ কাহিনী আৰু সাৱলীল ভাষাৰ বাবে গ্ৰন্থখনিয়ে অসমীয়া পাঠক সমাজৰ মনৰ মাজত ঠাই পাইছে।

**শিশু সাহিত্যত দণ্ডিনাথ ঃ** 'অকণৰ ৰামায়ণ' নামেৰে দণ্ডিনাথ কলিতাই শিশুৰ উপযোগীকৈ সৰল-সহজ ভাষাৰে ৰামায়ণৰ কাহিনী লিখি উলিয়াইছিল। এইখনেই তেওঁৰ একমাত্ৰ শিশুপুথি যদিও, শিশুৰ বাবে তেওঁ বহু গীত-কবিতা ৰচনা কৰিছে।

**পাঠ্য-পুথি প্ৰণয়নত দণ্ডিনাথ ঃ** পাঠ্যপুথিৰ অভাৱলৈ লক্ষ্য ৰাখি দণ্ডিনাথ কলিতাই অতি দক্ষতাৰে স্কুলীয়া পাঠ্যপুথি সংকলন আৰু সম্পাদনা কৰি উলিয়ায়। সেই সময়ৰ স্কুল পৰিদৰ্শক দূৰ্গাধৰ বৰকটকীৰ পৰামৰ্শক্ৰমেই তেওঁ পাঠ্যপুথি প্ৰণয়নত হাত দিছিল। ১৯১৮ চনত 'প্ৰদীপ' নামেৰে পাঠ্যপুথি এখন সপ্তমমান শ্ৰেণীৰ বাবে প্ৰণয়ন কৰে। প্ৰথমে সপ্তম, তাৰপিছত ষষ্ঠ-সপ্তম আৰু শেষত পুথিবছা সমিতিয়ে এই পুথিখন সপ্তম শ্ৰেণীৰ বাবে মনোনীত কৰে। পুথিখনৰ প্ৰথম সংস্কৰণৰ গোটেইখিনি ৰচনাই তেওঁৰ আছিল। দ্বিতীয় সংস্কৰণতহে আনৰ ৰচনা সন্নিবিষ্ট কৰিছিল। পাঠ্যপুথি হিচাপে 'প্ৰদীপ' অসমৰ স্কুলবোৰত ষষ্ঠ দশকলৈকে চলিছিল। তেওঁ প্ৰণয়ন কৰা আন এখন পাঠ্যপুথি 'সাহিত্য-মুক্তাৱলী' পোনতে সপ্তম শ্ৰেণীত চলিছিল যদিও ১৯৩৪ চনত অসম উপত্যকাৰ স্কুল পৰিদৰ্শক শৰৎ চন্দ্ৰ গোস্বামীৰ অনুৰোধক্ৰমে অষ্টম শ্ৰেণীৰ উপযোগীকৈ পুনৰ সম্পাদনা কৰে। পাঠ্যপুথিৰ প্ৰবন্ধ-পাতি নিৰ্বাচনত তেওঁ অতি সচেতন আছিল। ছাত্ৰ-ছাত্ৰীয়ে যাতে এই পাঠ্যপুথি পঢ়ি উপকৃত হয় আৰু শিক্ষকেও পাঠদান কৰোতে কোনো পাঠতে উজুটি খাব লগা

নহয়; এই কথাৰ ওপৰত তেওঁ অধিক গুৰুত্ব দিছিল। সেইসময়ত অসমীয়া ভাষাত সংস্কৃত ব্যাকৰণ নথকাত, ছাত্র-ছাত্রীৰ সুবিধাৰ অর্থে 'সংস্কৃত ব্যাকৰণাদর্শ' নামেৰে পুথিখন ৰচনা কৰি সেই অভাৱ দূৰ কৰিছিল। ইয়াৰ উপৰিও 'Anglo Sanskrit word Book' এখনো ৰচনা কৰিছিল। তাৰোপৰি 'Anglo Assamese Composition' এখনো যুগুতাই উলিয়াইছিল সহকর্মী বসন্ত কুমাৰ বৰুৱাৰ সহযোগত। দণ্ডিনাথ কলিতাই প্ৰণয়ন কৰা পাঠ্যপুথিৰ মানদণ্ড কিমান উচ্চ, এই কথা আজিৰ পাঠ্য পুথিৰ লগত তুলনা কৰি চালেই ধৰিব পাৰি।

**গ্ৰন্থ সম্পাদনাত দণ্ডিনাথ ঃ** দণ্ডিনাথ কলিতাই পাঠ্যপুথিৰ উপৰিও অন্য গ্ৰন্থ সম্পাদনা কৰিছিল। মাথো সোতৰ বছৰত ভৰি দিয়েই নখনকৈ গ্ৰন্থ লিখি ভাষা-জননীলৈ সেৱা আগবঢ়োৱা, সৰলতা, সাধুতা, সত্যবাদিতা আদি গুণেৰে আটাইকে মোহিত কৰা বৰপুত্ৰ হিৰণ্যৰঞ্জনৰ অকাল বিয়োগত শোক সন্তপ্ত পিতৃ দণ্ডিনাথ কলিতাই সম্পাদনা কৰিছিল 'হিৰণ্য ৰঞ্জন' নামৰ এখনি জীৱনীগ্ৰন্থ আৰু হিৰণ্য ৰঞ্জনে লিখি থৈ যোৱা 'বিপ্লৱী আৰু বীৰ-নাৰী', 'বনফুল', 'কলিযুগ' আৰু 'মৌ-চাক'। এই কেইখন সুকীয়াকৈ সম্পাদনা কৰাৰ পিচত, একত্রে 'হিৰণ্য গ্ৰন্থাৱলী' নাম-কৰণৰে সম্পাদনা কৰি উলিয়াইছিল।

**সামৰণি ঃ** দণ্ডিনাথ কলিতা জীৱন যুদ্ধত অৱতীর্ণ হোৱা এজন সৈনিক। অত্যন্ত মেধাবী হৈও শৈশৱৰে পৰা শিক্ষা লাভ কৰিবলৈ তেওঁ কৰা সংগ্ৰাম, জাত-পাত, উচ্চ-নীচ, ভেদ-ভাব, অন্ধবিশ্বাস আঁতৰাই বিজ্ঞান সন্মত ধ্যান-ধাৰণাৰে এখন সুন্দৰ সমাজ গঢ়িবলৈ ছাত্ৰাৱস্থাতে লোৱা দৃঢ়-পদক্ষেপ, সমাজৰ এচাম সুবিধাবাদী মানুহক প্ৰত্যাহ্বান জনাই স্ত্রী-শিক্ষাৰ বাট মুকলি কৰা আদি কাম দেশ-জাতি আৰু মানুহক ভালপোৱা এজন পৰম-হিতৈষী



পুৰুষৰ বাবেহে সাধ্য। যি সকলে অসমৰ, বিশেষকৈ শোণিতপুৰ জিলাৰ স্ত্রী-শিক্ষাৰ ইতিহাসৰ পাত লুটিয়াই চাইছে, সেইসকলে নিশ্চয় স্ত্রী-শিক্ষাৰ বাবে তেওঁৰ আত্মোৎসর্গৰ কথা এবাৰলৈ হ'লেও উপলব্ধি কৰিব পাৰিব। দণ্ডিনাথ কলিতাই অসমৰ সমাজ জীৱন আৰু সাহিত্য ক্ষেত্ৰলৈ যি অভূতপূর্ব বৰঙণি আগবঢ়াই গ'ল, তাৰ প্ৰকৃত মূল্যাঙ্কন আজিও হোৱা নাই। তেওঁৰ কর্মৰাজি বৰ্ত্তমান সমাজৰ দৃষ্টিভঙ্গীৰে চালে তেওঁৰ প্ৰতি অবিচাৰ কৰা হ'ব। সেই সময়ৰ সামাজিক পটভূমিলৈ উভতি গৈ বিচাৰ-বিশ্লেষণ কৰিব লাগিব।

আজি অসমত যি এক ভয়াবহ বিদেশী সমস্যাই গা কৰি উঠিছে, তাৰ আগজাননী দণ্ডিনাথ কলিতাই ১৯৪৬ চনতে পাইছিল আৰু 'পৰাচিত' নাটকৰ জৰিয়তে ৰাইজক সকিয়াই দিছিল; নিবনুৱা সমস্যা সমাধানৰ অর্থে আঁচনি প্ৰস্তুত কৰি চৰকাৰক দাখিল কৰিছিল, সেইসময়ত তেওঁৰ সেই আহ্বান শুনা হ'লে, অসম আজি এনে এক চৰম দুৰ্যোগৰ সন্মুখীন হ'ব লগা নহ'লহেতেন !

তেওঁৰ আজীৱন সাহিত্য সেৱা কৰাৰ স্বীকৃতি স্বৰূপে কেন্দ্ৰীয় চৰকাৰে তেওঁলৈ সাহিত্যিক পেঞ্চন আগবঢ়াইছিল। 'অসম প্ৰকাশন পৰিষদে' তেওঁৰ সমগ্ৰ ৰচনাৱলী দুটা খণ্ড আৰু 'দণ্ডিনাথ কলিতা ন্যাসে' তেওঁৰ 'ব্যঙ্গ কবিতা সমগ্ৰ' প্ৰকাশ কৰিছে যদিও তেওঁৰ বহু মূল্যবান পাণ্ডুলিপি, বিশেষকৈ 'সংস্কৃত নাটকৰ সাধু'ৰ দ্বিতীয় ভাগ পোহৰলৈ আহিলে অসমীয়া সাহিত্যৰ এক ডাঙৰ অভাব পূৰণ হ'ব বুলি আশা কৰিব পাৰো।